# 2019

# ASSAMESE

Paper : ASM–RC/HG–1016

( অসমীয়া ভাষাৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) কোনবিধ সাহিত্যিক প্ৰাকৃতৰ পৰা অসমীয়া ভাষা উদ্ভৱ হৈছে?

(খ) *Assamese : Its Formation and Development* গ্ৰন্থখন কাৰ ৰচনা?

(গ) এজন চৰ্যা ৰচকৰ নাম লিখা।

(ঘ) কোনে মাধৱ কন্দলিক 'অপ্ৰমাদী' কবি ৰূপে স্বীকৃতি দিছিল?

(ঙ) 'দশম'ত শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধৰ কেইটা অধ্যায় অনুবাদ কৰিছিল?

(চ) মধ্যযুগত ৰচিত যি কোনো এখন প্ৰকাশিত বুৰঞ্জীৰ নাম লিখা।

(ছ) 'বৰদোৱা-চৰিত' পুথিখন কোন শতাব্দীত ৰচিত?

(জ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া অভিধানখনৰ নাম কি?

(ঝ) 'বুঢ়ী আইৰ সাধু' গ্ৰন্থখন কোন খ্ৰীষ্টাব্দত প্ৰথম প্ৰকাশ হৈছিল?

(ঞ) মাধৱ কন্দলিৰ ৰামায়ণত কেইটা কাণ্ড পোৱা যায়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনে, ক'ৰ পৰা চৰ্যাপদসমূহ উদ্ধাৰ কৰিছিল?

(খ) গদ্যত ৰচিত দুখন চৰিতপুথিৰ নাম লিখা।

(গ) কামৰূপী প্ৰাকৃত মানে কি?

(ঘ) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি?

(ঙ) 'বুঢ়ী আইৰ সাধু' সংকলনখনত থকা যি কোনো দুটা সাধুকথাৰ নাম লিখা।

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ উদ্ভৱৰ বিষয়ে এটা টোকা লিখা।

(খ) চৰ্যাপদৰ ভাষাগত বৈশিষ্ট্য সামৰি চমুকৈ লিখা।

(গ) মন্ত্ৰপুথি সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(ঘ) অসমীয়া ভাষাৰ বৰ্ণবিন্যাসক নিৰ্দিষ্ট ৰূপ দিবৰ বাবে হেমচন্দ্ৰ বৰুৱাই কি ভূমিকা পালন কৰিছিল, লিখা।

(ঙ) অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত চৰিতপুথিসমূহৰ গুৰুত্ব কেনেধৰণৰ, বুজাই লিখা।

(চ) মাধৱ কন্দলি বা শংকৰদেৱৰ গ্ৰন্থক আধাৰ হিচাপে লৈ পুৰণি অসমীয়া কবিসকলে অনুবাদৰ ক্ষেত্ৰত কেনে ৰীতি গ্ৰহণ কৰিছিল, লিখা।

৪। (ক) অসমীয়া ভাষাৰ ইতিহাসক কি কি যুগত ভাগ কৰা হয়? প্ৰতিটো যুগৰ পৰিচয় দি অসমীয়া ভাষাৰ বিকাশৰ এটি ৰূপৰেখা দাঙি ধৰা। ১০

*নাইবা*

(খ) অসমীয়া ভাষাৰ উদ্ভৱ তথা বিকাশত তামৰ ফলি, চৰ্যাপদ আৰু বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ গুৰুত্ব দেখুৱাই আলোচনা কৰা। ১০

৫। (ক) মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাগত বৈশিষ্ট্য উল্লেখ কৰি এটি আলোচনা যুগুত কৰা। ১০

*নাইবা*

(খ) শংকৰদেৱৰ 'দশম' গ্ৰন্থৰ ভাষাগত বিশ্লেষণ কৰি অসমীয়া ভাষাৰ বিকাশত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে এটি মূল্যায়ন দাঙি ধৰা। ১০

৬। (ক) বুৰঞ্জীৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰি এটি টোকা লিখা। ১০

*নাইবা*

(খ) বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ তুলনাত্মক বিচাৰ দাঙি ধৰা। ১০

৭। (ক) 'অচমিয়া লৰাৰ মিত্ৰ'ৰ আধাৰত আধুনিক অসমীয়া গদ্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে লিখা। ১০

*নাইবা*

(খ) 'বুঢ়ী আইৰ সাধু' সংকলনৰ যি কোনো এটা সাধুৰ আলমত কাহিনীকওঁতা হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ বৈশিষ্ট্যসমূহ দাঙি ধৰা। ১০

★★★